# অসম আদিত্য

RNI REGN. No.
epaper.a
Portal : ww
e-mail : asc

...৮ আঘোণ, ১৯৪৬ শক ■ শনিবাৰ, ১৪ ডিচেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Saturday, December 14, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশি...


মধুৰিআম
দাঁতৰ বিষ
খাদ্যত বিষক্ৰিয়
লাগে। ছালৰ বি
পাতৰ ৰস সানি


..., ১৯৪৬ শক ■ শনিবাৰ, ১৪ ডিচেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Saturday, December 14, 2024 ■ ডিব্ৰুগড় সংস্কৰণ ■


## ...ত্ৰত ...্যাহাৰ ...বিধায়ক ...মমিন

...ান, ১৩ ডিচেম্বৰ ঃ ...মণ্ডিত তথা অগ্ৰণী ...ন উচ্চতৰ মাধ্যমিক ...সপ্তাহ'ৰ ৬ পৃষ্ঠাত

### ভাষাটোক কোনোবাই হেয় জ্ঞান কৰিলে মনত দুখ অনুভৱ কৰোঁ ঃ গ্ৰন্থ মহোৎসৱত শক্তিমন্ত্ৰী প্ৰশান্ত ফুকন



## অসমত পূৰ্ণাংগ পুথিভঁৰালৰ প্ৰয়োজনীয়তা আছে ঃ ড° হাজৰিকা

**ষ্টাফ ৰিপৰ্টাৰ, ১৩ ডিচেম্বৰ ঃ** 'খোজ অসম'ৰ ষষ্ঠ ডিব্ৰুগড় গ্ৰন্থমেলা আজিৰে পৰা আৰম্ভ হৈছে। চহৰখনৰ নিৰ্মালী গাঁও ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হোৱা গ্ৰন্থ মহোৎসৱখনি উদ্বোধন কৰে অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্য্যকান্ত হাজৰিকাই। উদ্বোধনী ভাষণত ড° হাজৰিকাই অসমত গ্ৰন্থ অধ্যয়নৰ পৰিৱেশ সৃষ্টি কৰিবলৈ হ'লে পূৰ্ণাংগ পুথিভঁৰালৰ প্ৰয়োজনীয়তা আছে বুলি গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। দহদিনীয়া ৬ পৃষ্ঠাত

